অসম

ৰঙাজান দুর্ঘটনা: ট্রেভেলাৰখনৰ পৰা খুলি ৰখা হৈছিল এছএলডি, স্বত্বাধিকাৰীক আটক

কাজিৰঙাৰ ৰঙাজানত দুর্ঘটনাগ্রস্ত ট্রেভেলাৰখনৰ স্বত্বাধিকাৰী আনজিৰ আলীক আটক কৰিছে আৰক্ষীয়ে। বাহনখনৰ এছএলডি পূর্বেই খুলি ৰখা হৈছিল।

প্রকাশ: ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩৪



কাজিৰঙা, ১৫ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়ংকৰ পথ দুর্ঘটনাত পতিত ট্রেভেলাৰখনৰ স্বত্বাধিকাৰী আনজিৰ আলীক আটক কৰিছে আৰক্ষীয়ে। আনজিৰ আলীৰ ঘৰ নগাঁও জিলাৰ পানীগাঁৱত।

দুর্ঘটনাটোক কেন্দ্র কৰি আৰক্ষীয়ে অব্যাহত ৰখা তদন্তৰ ভিত্তিত ট্রেভেলাৰখনৰ স্বত্বাধিকাৰীক আটক কৰা হৈছে। দুর্ঘটনাটোৰ সৈতে জড়িত বিভিন্ন দিশ আৰক্ষীয়ে পৰীক্ষা কৰি আছে।

ইফালে, দুর্ঘটনাগ্রস্ত ট্রেভেলাৰখনৰ পৰা গতিবেগ নিয়ন্ত্রণকাৰী যন্ত্র এছএলডি পূর্বেই খুলি ৰখা হৈছিল বুলি পোহৰলৈ আহিছে। গোলাঘাট জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই এই তথ্য মুখ্যমন্ত্রীক অৱগত কৰিছে।

এছএলডিয়ে বাহনৰ গতিবেগ নির্ধাৰিত সীমাৰ ভিতৰত ৰাখিবলৈ সহায় কৰে। যন্ত্রটো সংস্থাপন কৰা থাকিলে চালকে এক্সিলেটৰত অধিক চাপ দিলেও বাহনখনে নির্ধাৰিত গতিসীমা অতিক্রম কৰিব নোৱাৰে।

ৰঙাজানৰ এই দুর্ঘটনাত মৃতকৰ সংখ্যা ২৬জনলৈ বৃদ্ধি পাইছে। যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত লক্ষী মাঝি নামৰ ২০ বছৰীয়া এগৰাকী যুৱতীৰ মৃত্যু হোৱাৰ পাছত মৃতকৰ সংখ্যা বৃদ্ধি পায়।

মৃতসকলৰ ভিতৰত ১৪গৰাকী মহিলা, ১১জন পুৰুষ আৰু এটি শিশু আছে। আহত ১৭গৰাকী লোক যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। তেওঁলোকৰ ভিতৰত ৬গৰাকীৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3271/ngajan-dughtna-tevela-swtwadhikaee-echeldi